**প্ৰেছ বাৰ্তা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন**

## পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা ঘৰে ঘৰে জৰীপ কাৰ্যসূচী সম্পূৰ্ণ

# জৰীপকালত উদঘাটন হোৱা অসুবিধাসমূহ অহা ১৮ আগষ্টৰ ভিতৰত সমাধান কৰিবলৈ আহ্বান মন্ত্ৰী দলেৰ আৰু সংশ্লিষ্ট সকলোলৈ কৃতজ্ঞতা জ্ঞাপন

**গুৱাহাটী, ১২ আগষ্ট ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ দ্বাৰা প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনৰ আৱাসগৃহসমূহ পৰিদৰ্শন আৰু নিশা যাপন কৰি জৰীপ কৰা কাৰ্যসূচী কালি সফলতাৰে সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলে, প্ৰধান সচিব ডাঃ জে বি এক্কা, আয়ুক্ত ডাঃ পি অশোক বাবু আৰু বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকলৰ লগতে অন্য মন্ত্ৰী, বিধায়ক, সাংসদ তথা উপায়ুক্তসকলেও এই কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে আৰু পি এম এ ৱাই জিৰ হিতাধিকাৰীৰ ঘৰত নিশা যাপন কৰি বিভিন্ন তথ্য আহৰণ কৰে। দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে গ্ৰহণ কৰা এই অভিনৱ কাৰ্যসূচী সফল কৰাৰ বাবে ইয়াত অংশ গ্ৰহণ কৰা প্ৰতিগৰাকী মন্ত্ৰী, বিধায়ক, সাংসদ, উপায়ুক্ত, বিভাগৰ প্ৰধান সচিব, আয়ুক্তকে ধৰি অন্যান্য বিষয়া-কৰ্মচাৰী আৰু ৰাইজক মন্ত্ৰী দলেয়ে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে এই জৰীপ প্ৰক্ৰিয়াত উদঘাটন হোৱা সমস্যাসমূহ অহা ১৮ আগষ্ট, ২০১৮ৰ ভিতৰত সমাধান কৰিবলৈও বিভাগৰ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

এই জৰীপ কাৰ্যসূচীত অতি উৎসাহেৰে অংশ গ্ৰহণ কৰা সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰি বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কাই কয় যে পি এম এ ৱাই জিৰ হিতাধিকাৰীৰ ঘৰলৈ গৈ বাৰ্তালাপ কৰি নিশা যাপন কৰাৰ লগতে তেওঁলোকৰ দৈনন্দিন জীৱনৰ কৰ্মসূচী আৰু তেওঁলোকে সন্মুখীন হৈ অহা সমস্যাৰ বিষয়ে সকলোৱে ভালদৰে অৱগত হোৱাৰ সুযোগ পালে আৰু এই প্ৰক্ৰিয়াই বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীকে গ্ৰামোন্নয়নৰ আঁচনিসমূহ ৰূপায়ণত অধিক মানৱীয় দৃষ্টিভংগী লোৱাত সহায়ক হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

বিভাগীয় মন্ত্ৰী দলেৰ লগতে অন্য মন্ত্ৰী, বিধায়ক, সাংসদ, উপায়ুক্ত তথা বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীয়ে নিষ্ঠাসহকাৰে আৰু উৎফুল্লিত মনেৰে এই কাৰ্যসূচীক সফল ৰূপ দিয়াৰ বাবে বিভাগৰ আয়ুক্ত ডাঃ পি অশোক বাবুয়ে সকলোৰে ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰে আৰু কয় যে এতিয়া এই অভিজ্ঞতাৰে পুষ্ট হৈ সংশ্লিষ্ট হিতাধিকাৰীসকলে যাতে ইয়াৰ সুফল ভোগ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ বাবে তেওঁ সংশ্লিষ্ট ক্ষেত্ৰীয় বিষয়াসকলক অহা ১৮ আগষ্টৰ ভিতৰত উদঘাটন হোৱা সকলো সমস্যা সমাধান কৰিবলৈ আহ্বান জনায় যাতে অহা

২০১৯ চনৰ জানুৱাৰী মাহৰ ভিতৰত ২ লাখ ঘৰ সমপূৰ্ণ কৰাৰ লক্ষ্যত উপনীত হ'ব পাৰি।

আনহাতে বিভাগৰ বিষয়া-কৰ্মচাৰীসকলেও এই অভিনৱ পদক্ষেপৰ শলাগ লয় আৰু এই কাৰ্যসূচীয়ে তেওঁলোকক ব্যৱহাৰিক অভিজ্ঞতা প্ৰদান কৰাৰ লগতে দুগুণ উৎসাহেৰে কাম কৰিবলৈ উদগনি যোগাইছে বুলি উল্লেখ কৰি আগলৈ নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ হিতাধিকাৰীসকলক সকলো সুবিধা প্ৰদান কৰি অধিক একাগ্ৰতাৰে কাম কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে।

এই খিনিতে উল্লেখ কৰিব পাৰি যে মন্ত্ৰী দলেয়ে কালি নিশা দৰঙৰ ঐতিহাসিক পাথৰিঘাট অঞ্চলৰ ১ নং চেঙাপাৰা গাঁৱৰ মুনীন্দ্ৰ দাসৰ নৱ নিৰ্মিত পি এম এ ৱাই জিৰ ঘৰত নিশা যাপন কৰাৰ লগতে ওচৰত থকা অসম্পূৰ্ণ ঘৰলৈ গৈ নিজে নিৰ্দ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি জৰীপ কৰে।

তৃণমূল পৰ্যায়লৈ গৈ কৰা এই জৰীপ কাৰ্যই গ্ৰামোন্নয়নৰ বিষয়া-কৰ্মচাৰী আৰু হিতাধিকাৰীৰ মাজৰ দূৰত্ব কমোৱাত সহায় কৰাৰ লগতে পি এম এ ৱাই জিৰ ঘৰসমূহ সময়মতে সম্পূৰ্ণ কৰাত বিশেষভাৱে সহায়ক হ'ব বুলি আশা কৰা হৈছে।

*এম আৰ ডি/১২-৮-১৮*